
ছবিৰে সৈতে
সাধু পঢ়োঁ আহা
জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, চৰাইদেউ

জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, চৰাইদেউ, সোণাৰি



# ছবিৰে সৈতে সাধু পঢ়োঁ আহা

প্ৰাথমিক পৰ্যায়ৰ শিক্ষাৰ্থীৰ বাবে প্ৰস্তুত কৰা

চিত্ৰকথাৰ পুথি

# সম্পাদনা সমিতি

উপদেষ্টা ঃ শ্ৰীযুত বিমান চন্দ্ৰ দত্ত, অধ্যক্ষ

সম্পাদক ঃ ড° মধুমিতা চেতিয়া, জ্যেষ্ঠ প্ৰবক্তা

সহযোগী সম্পাদক ঃ দিপাংকৰ গগৈ, শিক্ষক প্ৰশিক্ষাৰ্থী

কাৰিকৰী দিশত জড়িত শিক্ষক প্ৰশিক্ষাৰ্থীসকল ঃ

বিকাশ নেওগ চন্দ্ৰ চাংমাই উৎপলজিৎ শ্যাম

সুৰুজ গগৈ কপিল কোঁৱৰ

অলংকৰণ সহযোগী শিক্ষক প্ৰশিক্ষাৰ্থীসকল ঃ

ডিম্পী শৰ্মা ভূমিধৰ মিলি মৌচম বৰুৱা

পৰিস্মিতা শইকীয়া জুপীতৰা চাউলো ৰিতিকা দত্ত

কাব্যশ্ৰী গগৈ জিউমণি কলিতা বিকাশ নেওগ

সৌৰভ জ্যোতি দাস

বৰ্ণৰোপনত জড়িত শিক্ষক প্ৰশিক্ষাৰ্থীসকল ঃ

প্ৰাণজীৎ বৰা দিপাংকৰ গগৈ মানস প্ৰতীম গগৈ

বেটুপাত ঃ সৌৰভ জ্যোতি দাস, শিক্ষক প্ৰশিক্ষাৰ্থী

আৰ্হি চাওঁতা ঃ অনামিকা বড়া, প্ৰবক্তা

দীপশিখা দত্ত, প্ৰবক্তা

মুদ্ৰণ ঃ ইষ্টাৰ্ণ অফ্ছেট প্ৰিণ্টাৰ্চ, সোণাৰি

প্ৰকাশকাল ঃ ৫ জুন, ২০২৬ চন।

প্ৰকাশক ঃ জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, চৰাইদেউ, সোণাৰি

প্ৰতিষ্ঠা - ১৯৯৬ চন

ভজো, পিন - ৭৮৫৬৯১

মূল্য ঃ ৭০০/- (সাতশ টকা)

**ডাঃ নেহা যাদৱ, ভা.প্ৰ.সে.**
*জিলা আয়ুক্ত,*
*চৰাইদেউ জিলা*

**অসম চৰকাৰ**
*জিলা আয়ুক্তৰ কাৰ্যালয়*
*চৰাইদেউ, অসম*

**নং-চি.ডি.চি.৪৭৪১/** **তাৰিখ : ২৭ মে', ২০২৬**

## শুভেচ্ছা-বাৰ্তা

আমি জানিবলৈ পাই অত্যন্ত আনন্দিত যে জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, চৰাইদেউ-এ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক প্ৰশিক্ষাৰ্থীসকলৰ বাবে এক শিক্ষামূলক আৰু সৃষ্টিশীল উদ্যোগ হিচাপে **"ছবিৰে সৈতে সাধু পঢ়োঁ আহা"** শীৰ্ষক এখনি চিত্ৰকথাৰ গ্ৰন্থ প্ৰকাশ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে।

প্ৰকাশিতব্য এই গ্ৰন্থখনিৰ জৰিয়তে বিভিন্ন ব্যংগচিত্ৰ তথা চিত্ৰাঙ্কনৰ মাধ্যমেৰে শিক্ষাৰ্থীসকলৰ মাজত সচেতনতা, সৃষ্টিশীলতা, মূল্যবোধ আৰু শিক্ষাৰ প্ৰচাৰ কৰাৰ এক সুন্দৰ প্ৰয়াস গ্ৰহণ কৰা হৈছে। আশা কৰোঁ, গ্ৰন্থখনিয়ে ইয়াৰ ঈপ্সিত লক্ষ্য পূৰণ কৰি শিক্ষাৰ্থীসকলৰ মনত ইতিবাচক প্ৰভাৱ পেলাবলৈ সক্ষম হ'ব।

পুনশ্চঃ এই গ্ৰন্থখনিৰ সম্পাদনা সমিতিৰ সৈতে জড়িত প্ৰতিগৰাকী বিষয়ববীয়ালৈ আন্তৰিক শুভকামনা আৰু অভিনন্দন জ্ঞাপন কৰিলোঁ।

**(ডাঃ নেহা যাদৱ, ভা. প্ৰ. সে.)**
জিলা আয়ুক্ত, চৰাইদেউ
অসম

দিনাংক : ২৭ মে', ২০২৬

*ফোন নং - ০৩৭৭২-২৫৬৫৬৭ (কাৰ্যালয়), ই-মেইল : dc-charaideo@gov.in / dccharaideo@gmail.com*

অসম চৰকাৰ

# ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম

কাহিলিপাৰা, গুৱাহাটী-৭৮১০১৯

## শুভেচ্ছা-বাৰ্তা

মই জানিবলৈ পাই অতিশয় আনন্দিত হৈছোঁ যে জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, চৰাইদেউৰ ২০২৪-২৬ বৰ্ষৰ শিক্ষক প্ৰশিক্ষাৰ্থীসকলে 'ছবিৰে সৈতে সাধু পঢ়োঁ আহা' নামৰ চিত্ৰকথাৰ পুথিখনি প্ৰস্তুত কৰি উলিয়াইছে। এনেধৰণৰ সচিত্ৰ পুথিয়ে প্ৰাথমিক স্তৰত অধ্যয়নৰত শিশু শিক্ষাৰ্থীসকলৰ মনোজগতত বাৰুকৈয়ে ইতিবাচক প্ৰভাৱ বিস্তাৰ কৰে; লগতে তেওঁলোকৰ কল্পনা শক্তিৰ বিকাশ সাধন কৰি শিকনৰ ক্ষেত্ৰতো অনুপ্ৰাণিত কৰে। কল্পনা আৰু কাহিনীক সংযোগ কৰা মনোৰম সাকোঁখনেই হ'ল চিত্ৰ। কাহিনী শুনি কল্পনাৰ ৰাজ্যত বিচৰণ কৰি থকা শিশুসকলে চিত্ৰৰ মাজত কাহিনী আৰু চৰিত্ৰবোৰৰ বাস্তৱ ৰূপ বিচাৰি পায়। সেয়ে তেওঁলোকৰ বাবে পাঠ্য সামগ্ৰী প্ৰস্তুত কৰোঁতে ছবি, সৰল ভাষা আৰু সংলাপৰ সহায় লোৱাটো বিশেষ প্ৰয়োজনীয়। সাধু পঢ়াৰ অভ্যাসে শিশুৰ ভাষাৰ বিকাশৰ লগতে সুচৰিত্ৰ আৰু নৈতিক মূল্যবোধ গঢ়ি তোলাত সহায় কৰে।

ছবিৰ সহায়ত কাহিনী বুজা, সংলাপৰ জৰিয়তে ভাব প্ৰকাশ কৰা আৰু সাধুৰ অন্তৰ্নিহিত বাৰ্তা গ্ৰহণ কৰা- এই সকলোবোৰে শিশুসকলৰ সামগ্ৰিক বিকাশত সহায় কৰে। আশা কৰোঁ পুথিখনে প্ৰাথমিক পৰ্যায়ৰ ছাত্ৰ-ছাত্ৰীসকলক পঠনৰ প্ৰতি আগ্ৰহ বৃদ্ধি কৰাৰ লগতে কল্পনাশক্তি আৰু সৃজনশীলতাৰ বিকাশতো সহায় কৰিব।

মই এই প্ৰচেষ্টাৰ আন্তৰিকতাৰে শলাগ লৈছোঁ। চিত্ৰপুথিখনৰ লগত জড়িত সংশ্লিষ্ট প্ৰতিজনলৈ মোৰ আন্তৰিক শুভকামনা জ্ঞাপন কৰাৰ লগতে পুথিখনৰ সফলতা কামনা কৰিলোঁ।

(ড° নিৰদা দেৱী)
সঞ্চালক
ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম
কাহিলিপাৰা, গুৱাহাটী-৭৮১০১৯

**GOVT. OF ASSAM**
**OFFICE OF THE PRINCIPAL**
**DISTRICT INSTITUTE OF EDUCATION & TRAINING, CHARAIDEO, SONARI**
**Email :** dietsivasagarsonari@gmail.com

# অধ্যক্ষৰ মেজৰ পৰা...




জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, চৰাইদেউ, সোণাৰিৰ ২০২৪-২৬ বৰ্ষৰ ডি.এল.এড শিক্ষক প্ৰশিক্ষাৰ্থী সকলৰ প্ৰচেষ্টাত, প্ৰতিষ্ঠানৰ জ্যেষ্ঠ প্ৰবক্তা ড° মধুমিতা চেতিয়াৰ সম্পাদনাত প্ৰাথমিক পৰ্যায়ৰ শিক্ষাৰ্থীৰ উপযোগীকৈ প্ৰস্তুত কৰি উলিওৱা **'ছবিৰে সৈতে সাধু পঢ়োঁ আহা'** শীৰ্ষক চিত্ৰকথাৰ পুথিখনৰ প্ৰকাশ লাভৰ ক্ষণত মই অত্যন্ত আনন্দিত হৈছোঁ। চিত্ৰকথাৰ এই পুথিখন শিক্ষাৰ্থীসকলৰ ভাষাৰ বিকাশ, কল্পনাশক্তি, নৈতিক চৰিত্ৰ গঠন, মূল্যবোধ আৰু সৃজনীশীল চিন্তাধাৰা গঢ়ি তোলাৰ ক্ষেত্ৰত এক উল্লেখযোগ্য পদক্ষেপ হ'ব বুলি মই বিশ্বাস কৰোঁ।

বৰ্তমান সময়ত 'ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০' - এ আনন্দময়, অভিজ্ঞতা ভিত্তিক আৰু শিক্ষাৰ্থী কেন্দ্ৰীক শিক্ষাৰ পৰিৱেশ সৃষ্টিত বিশেষ গুৰুত্ব আৰোপ কৰিছে। আমি জানো, শিশুৰ সৰ্বাংগীণ বিকাশত সাধুকথাই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। সেই সাধুবোৰ যেতিয়া চিত্ৰকথাৰ ৰূপত শিক্ষাৰ্থীৰ চকুৰ আগত ধৰা দিয়ে, তেতিয়া স্বাভাৱিকতে তেওঁলোক সেই বিষয়টোৰ প্ৰতি অধিক আকৰ্ষিত হয় আৰু আনন্দৰে পঢ়াৰ প্ৰতি আগ্ৰহী হয়। এইক্ষেত্ৰত আমাৰ প্ৰতিষ্ঠানৰ শিক্ষক প্ৰশিক্ষাৰ্থীসকলে আমি সৰুৰে পৰা শুনি অহা ঈছপৰ সাধু, পঞ্চতন্ত্ৰৰ সাধু, জাতকৰ সাধু আৰু আকবৰ-বীৰবলৰ সাধু আদিক ছবি আৰু সংলাপৰ মাধ্যমত জীৱন্ত ৰূপত তুলি ধৰিছে। লগতে চিত্ৰকথাখনৰ প্ৰতিখন চিত্ৰ আমাৰ শিক্ষক প্ৰশিক্ষাৰ্থীসকলে অংকন কৰি এই কাৰ্যটো সফলভাৱে ৰূপায়ণ কৰিছে তাৰ বাবে তেওঁলোক নিশ্চয়কৈ ধন্যবাদৰ পাত্ৰ।

উল্লেখৰ প্ৰয়োজন যে, এই পুথিখন কেৱল শিশুসকলৰ বাবেই নহয়, বৰং শিক্ষক প্ৰশিক্ষাৰ্থীসকলৰ স্কুল ইণ্টাৰ্নশ্বিপ কাৰ্যসূচীৰ বাবেও এক গুৰুত্বপূৰ্ণ সমল হিচাপে বিবেচিত হ'ব। বৰ্তমানৰ শিক্ষণ পদ্ধতিৰ মূলভেটি '5E আৰ্হি' অৰ্থাৎ- Engage (জড়িতকৰণ), Explore (অন্বেষণ কৰা), Explain (ব্যাখ্যা কৰা), Elaborate (সম্প্ৰসাৰিত কৰা) আৰু Evaluate (মূল্যায়ন কৰা)-ক এই পুথিখনৰ কাৰ্য-প্ৰণালীত অতি সুন্দৰভাৱে প্ৰতিফলিত কৰা হৈছে। কিতাপখনত অন্তৰ্ভুক্ত কৰা প্ৰশ্নোত্তৰ, কথোপকথন আৰু অভিনয়ধৰ্মী কাৰ্যসমূহে প্ৰশিক্ষাৰ্থীসকলক শিক্ষাৰ্থীৰ সৈতে ভাব-বিনিময় কৰাত আৰু তেওঁলোকৰ পঠন দক্ষতা সূক্ষ্মভাৱে পৰ্যবেক্ষণ তথালিপিবদ্ধ কৰাত বিশেষভাৱে সহায় কৰিব। একেদৰে, সাধুসমূহৰ লগত অন্তৰ্ভুক্ত কৰা ক্ৰিয়াকলাপবোৰত ঠায়ে ঠায়ে থকা চিত্ৰাংকনৰ সুযোগ তথা অন্যান্য কাৰ্যাৱলীয়ে শিক্ষাৰ্থীসকলৰ অভিনয় দক্ষতা, সূক্ষ্ম চিন্তা আৰু কাহিনীত নতুন মাত্ৰা সংযোজন কৰাৰ ক্ষমতা বৃদ্ধি কৰিব, যিয়ে শিশুৰ মনত কোনো এটা বিষয়ৰ গভীৰ অন্বেষণ আৰু ইয়াৰ ব্যৱহাৰিক প্ৰয়োগত অৰিহণা যোগাব।

এটা বিষয়ৰ গভীৰ অন্বেষণ আৰু ইয়াৰ ব্যৱহাৰিক প্ৰয়োগত অৰিহণা যোগাব।

এই অভিনৱ আৰু সময়োপযোগী চিন্তাৰ বাবে মই পুথিখনৰ পৰিকল্পনা, সম্পাদনাৰ সৈতে জড়িত ড° মধুমিতা চেতিয়াক ধন্যবাদ জনোৱাৰ লগতে প্ৰতিষ্ঠানৰ সমূহ শৈক্ষিক বিষয়া, কৰ্মচাৰীবৃন্দ আৰু নিষ্ঠাবান প্ৰশিক্ষাৰ্থীসকলক আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছোঁ।

শিক্ষাৰ্থীৰ লগতে সুধী সমাজে এই চিত্ৰকথাৰ পুথিখন আদৰি ল'ব বুলি মোৰ গভীৰ বিশ্বাস। পুথিখনৰ বহুল প্ৰচাৰ আৰু সফলতা কামনা কৰিলোঁ।

ধন্যবাদেৰে,

শ্ৰীযুত বিমান চন্দ্ৰ দত্ত
অধ্যক্ষ
জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান
চৰাইদেউ, সোণাৰি

DISTRICT INSTITUTE OF EDUCATION & TRAINING, CHARAIDEO
ESTD 1996

# সম্পাদকৰ একলম

"এইটো কাৰ দৌল?
ৰজাৰ দৌল,
ভাঙিম নে নাভাঙিম?
নাভাঙিবা।"

লগৰীয়াৰ সৈতে উমলি-জামলি ডাঙৰ-দীঘল হোৱা শৈশৱৰ সোণোৱালী সময়ছোৱা আমাৰ জীৱনৰ মধুৰতম সময়। পখিলা খেদি ফুৰা এই সময়ছোৱা যিদৰে মধুৰ, সেইদৰে গুৰুত্বপূৰ্ণ। এইসময় শিশুৰ মনত নৈতিক বিকাশৰ বীজ ৰোপণ কৰাৰ সময়। ইয়াৰ বাবে নীতিমূলক সাধুকথাই হৈছে আটাইতকৈ উত্তম উপায়।

**'ছবিৰে সৈতে সাধু. পঢ়োঁ আহা'** - প্ৰাথমিক পৰ্যায়ৰ শিক্ষাৰ্থীৰ বাবে জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান চৰাইদেউ, সোণাৰিৰ ২০২৪-২৬ বৰ্ষৰ শিক্ষক প্ৰশিক্ষাৰ্থীসকলে প্ৰস্তুত কৰা এখন চিত্ৰকথাৰ পুথি। ঈছপৰ সাধু, পঞ্চতন্ত্ৰৰ সাধু, জাতকৰ সাধু, আকবৰ আৰু বীৰবলৰ সাধুৰ পৰা বাছনি কৰা এই সাধুসমূহ ছবি আৰু সংলাপৰ জৰিয়তে আগবঢ়াই নিয়া হৈছে; যাতে শিশুসকলে সহজে কাহিনীসমূহ বুজি পায় আৰু আনন্দৰে পঢ়িবলৈ আগ্ৰহী হয়।

সাধু আৰু চিত্ৰৰ সংযোগ মধুমিশ্ৰিত দুগ্ধৰ দৰেই সুস্বাদু। চিত্ৰৰ মাধ্যমত প্ৰকাশ কৰিলে সদায়েই শুনি থকা সাধুবোৰেও জীৱন্ত ৰূপ পায়। কল্পনা আৰু কাহিনীক সংযোগ কৰা মনোৰম সাকোঁখনেই হ'ল চিত্ৰ। কাহিনী শুনি কল্পনাৰ ৰাজ্যত বিচৰণ কৰি থকা শিশুসকলে চিত্ৰৰ মাজত কাহিনী আৰু চৰিত্ৰবোৰৰ বাস্তৱ ৰূপ বিচাৰি পায়। সেয়ে তেওঁলোকৰ বাবে পাঠ্য সামগ্ৰী প্ৰস্তুত কৰোঁতে ছবি, সৰল ভাষা আৰু সংলাপৰ সহায় লোৱাটো বিশেষ প্ৰয়োজনীয়। সাধু পঢ়াৰ অভ্যাসে শিশুৰ ভাষাৰ বিকাশৰ লগতে সুচৰিত্ৰ আৰু নৈতিক মূল্যবোধ গঢ়ি তোলাত সহায় কৰে। এই চিত্ৰকথাৰ পুথিখন সেই দিশতেই এক আন্তৰিক প্ৰয়াস।

'ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০'ৰ মূল উদ্দেশ্য হৈছে শিশুকেন্দ্ৰীক শিক্ষাৰ বিকাশ ঘটোৱা আৰু আনন্দময়, অভিজ্ঞতাভিত্তিক শিক্ষাৰ পৰিৱেশ সৃষ্টি কৰা। ছবিৰ সহায়ত কাহিনী বুজা, সংলাপৰ জৰিয়তে ভাৱ প্ৰকাশ কৰা আৰু সাধুৰ অন্তৰ্নিহিত বাৰ্তা গ্ৰহণ কৰা - এই সকলোবোৰে শিশুসকলৰ সামগ্ৰিক বিকাশত সহায় কৰে। আমি বিশ্বাস কৰোঁ, 'ছবিৰে সৈতে সাধু পঢ়োঁ আহা' - পুথিখনে প্ৰাথমিক পৰ্যায়ৰ শিক্ষাৰ্থীসকলক পঠনৰ প্ৰতি আগ্ৰহ বৃদ্ধি কৰাৰ লগতে কল্পনাশক্তি আৰু সৃজনীশীলতাৰ বিকাশতো সহায় কৰিব। আমাৰ এই ক্ষুদ্ৰ প্ৰচেষ্টাই শিশুসকলক পঢ়া - শুনাৰ প্ৰতি আগ্ৰহী কৰি তোলাৰ লগতে 'ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০'ৰ লক্ষ্য পূৰণৰ পথত এক ফলপ্ৰসূ পদক্ষেপ হিচাপে বিবেচিত হ'ব। 'ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০'ৰ আধাৰত ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসমে প্ৰস্তুত কৰা ভাষাৰ পাঠ্যপুথিত চিত্ৰকথাৰ সংযোগ কৰা দেখা গৈছে।

উল্লেখৰ প্ৰয়োজন যে ডি.এল.এড দ্বিতীয় ষাণ্মাসিকৰ শিক্ষক প্ৰশিক্ষাৰ্থীসকলৰ স্কুল ইণ্টাৰ্নশ্বিপ কাৰ্যসূচীৰ অন্তৰ্গত ২ নং ক্ৰিয়া - কলাপটো হৈছে এনেধৰণৰ -

a) Interaction and dialogue with students.
b) Observe and record the reading skills of students of any one class.

শিক্ষক প্ৰশিক্ষাৰ্থীসকলৰ স্কুল ইণ্টাৰ্নশ্বিপৰ সময়ছোৱাত পুথিখন তেওঁলোকৰ এইক্ৰিয়া - কলাপ দুটা সম্পন্ন কৰাৰ ক্ষেত্ৰত সহায়ক হ'ব বুলি আশা কৰিব পাৰি। কাৰণ প্ৰতিটো সাধুৰ পিছত সংলগ্ন কৰা প্ৰশ্ন, কথোপকথন, আলোচনা, চিত্ৰ অংকন, অভিনয়ধৰ্মী কাৰ্যৰ জৰিয়তে শিক্ষক প্ৰশিক্ষাৰ্থীসকলে শিক্ষাৰ্থীৰ সৈতে যোগাযোগ দক্ষতা সাৱলীলভাৱে গঢ়ি তুলিব পাৰিব। ইয়াৰ জৰিয়তে শিক্ষাৰ্থীৰ চিন্তা-ধাৰণা, বোধগম্যতা আৰু মতামত প্ৰকাশৰ দক্ষতা বৃদ্ধি পাব।

আকৌ, পুথিখন পঠনৰ সময়ত শিক্ষক প্ৰশিক্ষাৰ্থীসকলে শিক্ষাৰ্থীৰ পঠন দক্ষতা যেনে - উচ্চাৰণৰ শুদ্ধতা আৰু স্পষ্টতা, পঢ়াৰ গতি আৰু সাৱলীলতা, বিৰাম চিহ্নৰ ব্যৱহাৰ, পঠনৰ বোধগম্যতা আদি দিশো লক্ষ্য কৰিব পাৰিব। যিয়ে শিক্ষাৰ্থীৰ পঠন দক্ষতা পৰ্যবেক্ষণ সহজ কৰি তুলিব আৰু তেওঁলোকৰ অগ্ৰগতি নথিভুক্ত কৰাত সহায় কৰিব।

চিত্ৰকথাৰ পুথিখন প্ৰকাশ কৰাৰ ক্ষেত্ৰত সততে সহযোগিতা তথা দিহা- পৰামৰ্শ দি উৎসাহিত কৰা প্ৰতিষ্ঠানৰ সন্মানীয় অধ্যক্ষ শ্ৰীযুত বিমান চন্দ্ৰ দত্ত দেৱলৈ কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিলোঁ। প্ৰতিষ্ঠানৰ জ্যেষ্ঠ প্ৰবক্তা নেত্ৰ গগৈ দেৱৰ লগতে সকলো শৈক্ষিক বিষয়া, কৰ্মচাৰীসহ প্ৰশিক্ষণৰত শিক্ষক প্ৰশিক্ষাৰ্থীসকলকো ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। শেষত, 'ছবিৰে সৈতে সাধু পঢ়োঁ আহা' - পুথিখন পৰিকল্পনা, সম্পাদনা আৰু প্ৰকাশ কৰোঁতে অজানিতে অনেক ভুল-ভ্ৰান্তি ৰৈ যাব পাৰে। সেইসমূহ মাৰ্জনা কৰি আমাৰ এই ক্ষুদ্ৰ প্ৰচেষ্টাক সুধী সমাজে আদৰি ল'লে নথৈ আনন্দিত হ'ম।

ধন্যবাদৰে,

ড° মধুমিতা চেতিয়া
সম্পাদক তথা জ্যেষ্ঠ প্ৰবক্তা
জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান
চৰাইদেউ, সোণাৰি

# সূচীপত্ৰ


◈ নিগনি, কাছ, কাউৰী আৰু হৰিণৰ বন্ধুত্ব

✍ প্ৰস্তুতকৰ্তা ঃ সূৰুজ গগৈ, চৈয়দ আবু চালেহ ০১

◈ বগলী আৰু কেঁকোৰা

✍ প্ৰস্তুতকৰ্তা ঃ কাব্যশ্ৰী দাস, চিমচিমি হাজৰিকা ১০

◈ পৰুৱা আৰু ফৰিং

✍ প্ৰস্তুতকৰ্তা ঃ কপিল কোঁৱৰ, ঔম প্ৰকাশ শৰ্মা ১৭

◈ কুকুৰা, কুকুৰ আৰু শিয়ালী

✍ প্ৰস্তুতকৰ্তা ঃ ভাস্কৰজ্যোতি বড়া, অনুজ কুমাৰ বড়া ২২

◈ কপৌ চৰাই আৰু খেতিয়ক

✍ প্ৰস্তুতকৰ্তা ঃ হীৰামণি বৰুৱা, ইনজামূল হক ৩০

◈ বনৰজা আৰু বগলী

✍ প্ৰস্তুতকৰ্তা ঃ প্ৰাঞ্জল চিত্ৰকৰ, সঞ্জীৱ শৰ্মা ৩৭

◈ কাউৰী আৰু শিয়াল

✍ প্ৰস্তুতকৰ্তা ঃ ফাৰহিন আহমেদ, ধ্ৰুৱজ্যোতি শইকীয়া ৪৩

◈ শিয়াল আৰু টেঙা আঙুৰ

✍ প্ৰস্তুতকৰ্তা ঃ প্লাৱিতা গগৈ, ইন্দ্ৰানী দত্ত ৪৬

◈ গাধ আৰু শিয়াল

✍ প্ৰস্তুতকৰ্তা ঃ জাহ্নৱী ফুকন, পূজা শইকীয়া ৫০

◈ মেকুৰী আৰু বান্দৰ

✍ প্ৰস্তুতকৰ্তা ঃ জনাৰ্দন বড়া, মাৰ্টিনা কোঁৱৰ ৫৭

◈ জ্ঞানী চৰাই

✍ প্ৰস্তুতকৰ্তা ঃ নিকুঞ্জ আৰান্ধৰা দত্ত, পল্লৱী দেৱী ৬৩

◈ কাউৰী আৰু ম'ৰা চৰাই

✍ প্ৰস্তুতকৰ্তা ঃ পৰিণীতা বৰফুকন, মিনাক্ষী দাস ৬৯

◈ নীলবৰণীয়া শিয়াল

✍ প্ৰস্তুতকৰ্তা ঃ লক্ষ্মী তাঁতী, নিতামণি খাকলাৰী ৭৪



DISTRICT INSTITUTE OF EDUCATION & TRAINING, CHARAIDEO
ESTD 1996

# সূচীপত্ৰ


◈ বান্দৰ আৰু ঘঁৰিয়াল

প্ৰস্তুতকৰ্তা ঃ দেৱজ্যোতি বড়া ৮১

◈ ঈগল আৰু কাছ

প্ৰস্তুতকৰ্তা ঃ অংকিতা গগৈ, ভিতালী ফুকন ৮৭

◈ বুধিয়ক কাউৰী

প্ৰস্তুতকৰ্তা ঃ ধীৰাজ মিলি ৯২

◈ কপৌ চৰাই আৰু নিগনিৰ বন্ধুত্ব

প্ৰস্তুতকৰ্তা ঃ অসীমজ্যোতি ফুকন ৯৭

◈ আকবৰ আৰু বীৰবল

প্ৰস্তুতকৰ্তা ঃ কল্যাণজ্যোতি গগৈ ১০৩

◈ গাধ আৰু ফৰিং

প্ৰস্তুতকৰ্তা ঃ কৃষ্ণালী গগৈ, জিম্পী শইকীয়া ১০৮

◈ সিংহ, হৰিণা আৰু এটি কণমানি শহা

প্ৰস্তুতকৰ্তা ঃ কংকনা বৰুৱা ১১১

◈ পৰুৱা আৰু কপৌ

প্ৰস্তুতকৰ্তা ঃ নীহাৰিকা কোঁৱৰ, মাইনা লাচন ১১৪

◈ শিয়াল আৰু বগলী

প্ৰস্তুতকৰ্তা ঃ মৌচুমী বড়া, প্ৰিয়ংকা দিহিঙীয়া ১১৯

◈ বুধিয়ক বীৰবল

প্ৰস্তুতকৰ্তা ঃ পাৰ্থপ্ৰতিম বৰুৱা, সংগীতা বৰুৱা ১২৩

◈ শহাৰ সপোন

প্ৰস্তুতকৰ্তা ঃ অংকুমণি গগৈ, পৰিণিতা পেগু ১২৬

◈ বীৰবলৰ বুদ্ধি পৰীক্ষা

প্ৰস্তুতকৰ্তা ঃ দীপশিখা ফুকন ১৩৪


DISTRICT INSTITUTE OF EDUCATION & TRAINING, CHARAIDEO
ESTD 1996

# নিগনি, কাছ, কাউৰী আৰু হৰিণৰ বন্ধুত্ব

*প্ৰস্তুতকৰ্তা ঃ সূৰুজ গগৈ, চৈয়দ আবু চালেহ*







ৰ'বা ৰ'বা। তোমালোকে নালাগে। প্ৰথমতে মই এবাৰ অকলেই বিচাৰি যাওঁ।


কাউৰীয়ে হৰিণক বিচাৰি গোটেই হাবিখন চলাথ কৰিলে।


হঠাৎ হৰিণক দেখা পাই...
সৌৰা কি? হায়! হায়! হৰিণ দেখোন জালত মেৰ খাই আছে!


বন্ধু, তোমাৰ এই দশা কেনেকৈ হ'বলৈ পালে?
তোমালোকক লগ পোৱাৰ আনন্দত খৰ-খেদাকৈ যাবলৈ ওলাওঁতেই মোৰ এই দশা হ'ল। মোক বচোৱা বন্ধু বচোৱা!


ৰ'বা, ৰ'বা। তুমি অধৈর্য নহ'বা। তোমাক এই বিপদৰ পৰা নিশ্চয় ৰক্ষা কৰিম।


কাউৰীয়ে নিগনি আৰু কাছৰ আগত ঘটনাটো বৰ্ণনা কৰিলেগৈ।
ব'লা, ব'লা। মই মোৰ দাঁতেৰে জালখন কুটি হৰিণক মুকলি কৰি আনিম ।
তুমি নিগনিক লৈ তৎক্ষণাত হৰিণৰ ওচৰলৈ যোৱা।


নিগনিয়ে এক মুহূৰ্তও পলম নকৰি জালখন কুটি হৰিণক মুক্ত কৰিলে। ইফালে কাছও সেই ঠাইত ওলালগৈ।
ধন্যবাদ বন্ধু। আজি তোমালোকৰ বাবে মোৰ জীৱন ৰক্ষা পৰিল।


এনেতে চিকাৰী এজন আহি সেই ঠাইত উপস্থিত হ'লহি। চিকাৰীজনক দেখি হৰিণ দৌৰি পলাল কাউৰী গছৰ ডালত উঠিল আৰু নিগনি গাঁতত সোমাল। চিকাৰীজনে কাছটোক ধৰি মোনাত ভৰাই লৈ গ'ল।


তিনি বন্ধুৱে কাছক উদ্ধাৰ কৰিবৰ বাবে উপায় চিন্তা কৰিবলৈ ধৰিলে।
কাছক আমি চিকাৰীৰ হাতৰ পৰা বচাবই লাগিব।
আমি কিবা এটা উপায় উলিয়াবই লাগিব।
উম... বুদ্ধি এটা পাইছোঁ।


মই চিকাৰীৰ আগে আগে দৌৰি গৈ থাকিম। মোক দেখিলেই চিকাৰীয়ে কাছক এৰি মোৰ পিছ ল'ব। তোমালোকে সেই সময়তে কাছক মোনাৰ ভিতৰৰ পৰা উলিয়াই আনিবা।
বঢ়িয়া, বঢ়িয়া।


হৰিণে চিকাৰীৰ আগে আগে জঁপিয়াই জঁপিয়াই দৌৰিবলৈ ধৰিলে।
এইটো দেখোন এটা হৰিণ। মই মোনাটো থৈ হৰিণৰ পিছ লোৱাই ভাল হ'ব।


ইমান চেষ্টা কৰিও হৰিণটো ধৰিব নোৱাৰিলোঁ। কাছটোক লৈ ঘৰলৈ যোৱাই ভাল হ'ব।







নীতিকথা: "একতাই পৰম বল আৰু বিপদতহে প্ৰকৃত বন্ধুৰ পৰিচয় পোৱা যায়।"

## ভাবোঁ, কওঁ আৰু ছবি আকোঁ আহা -

১. সাধুটোৰ কোনটো চৰিত্ৰ তোমাৰ আটাইতকৈ বেছি ভাল লাগিল? আৰু কিয়?

২.সাধুটোত থকা চৰিত্ৰকেইটাৰ ভিতৰত তোমাৰ প্ৰিয় চৰিত্ৰটোৰ ছবি এখন আঁকা।

# বগলী আৰু কেঁকোৰা

*প্ৰস্তুতকৰ্তা ঃ কাব্যশ্ৰী দাস, চিমচিমি হাজৰিকা*










মাছবোৰ কেনেকৈ ধৰি খাব পৰা যাব বাৰু! উম... উপায় এটা পাইছোঁ।


এদিন বগলীটোৱে মাছবোৰে শুনাকৈ চিএঞৰি চিএঞৰি ক'বলৈ ধৰিলে।
দুই এদিনতে মাছমৰীয়াবোৰে বিলত জাল পেলাই তোমালোকক ধৰি লৈ যাব। গতিকে আমি আটায়ে এই বিল এৰি অন্য এখন বিললৈ গুচি যোৱাই ভাল হ'ব।


বগলীৰ কথা শুনি মাছবোৰে বৰ ভয় খালে।
আমি অন্য এখন বিললৈ কেনেকৈ যাম? আমিচোন উৰিবও নোৱাৰোঁ আৰু খোজ কাঢ়ি যাবও নোৱাৰোঁ।


তোমালোকে চিন্তা নকৰিবা উপায় এটা অৱশ্যেই আছে। মই তোমালোকক লৈ যাম।


এনেদৰে বগলীয়ে মাছবোৰক অন্য এখন বিললৈ নিয়াৰ চলেৰে খাবলৈ ধৰিলে।


অৱশেষত কেঁকোৰাটোহে বাচি থাকিলগৈ।




কেঁকোৰাৰ কথা শুনি বগলীটোৱে মনতে বৰ ৰং পালে ।




বগলীয়ে কেঁকোৰাকো নি সেই বিলখন পোৱালেগৈ।


এয়া কি? চাৰিওফালে মাছৰ কাঁইট। অ' তাৰমানে বগলীয়ে মিছা কথা কৈ গোটেই মাছবোৰ খালে!

বগলীয়ে কেঁকোৰাক খাবলৈ লওঁতেই কেঁকোৰাই বগলীৰ ডিঙিত চেপা মাৰি ধৰিলে।





নীতিকথা :"অতি চতুৰালিৰ পৰিণাম সদায় ভয়াবহ আৰু বুদ্ধিৰে কঠিন বিপদকো নেওচিব পাৰি।"

## ভাবোঁ আৰু কওঁ আহা -

১.মাছবোৰে বগলীটোৰ কথা বিশ্বাস কৰি ভাল কৰিছিলনে?

২.বগলীটোৰ কথা বিশ্বাস নকৰা হ'লে মাছবোৰৰ কি হ'লহেঁতেন?

# পৰুৱা আৰু ফৰিং

*প্ৰস্তুতকৰ্তা ঃ কপিল কোঁৱৰ, ঔম প্ৰকাশ শৰ্মা*










কিয় ? শীতকালত খাবলৈ তুমি একো খাদ্য গোটাই নথ'লা নেকি ?
এহ্ গোটাম গোটাম বুলি ভাবি থাকোঁতেই দিনবোৰ পাৰ হৈ গ'ল বুজিছা নে ! সময়েই নাপালোঁ।
শীতকালত খাবলৈ তুমি খোৱা বস্তু গোটাব নোৱাৰিলোঁ বুলি ক'লা যে? তুমিনো ইমান কি কামত ব্যস্ত আছিলা?
সেই ভাল ভাল বতৰবোৰত মই গান গাই, নাচি-বাগি ইফালে সিফালে উৰি ফুৰিলোঁ আক'।


ফৰিঙৰ কথা শুনি পৰুৱাৰ বৰ খং উঠিল।


আচৰিত !!
বৰ ভাল কৰিলা ! তেতিয়াহ'লে তুমি নাচি-বাগিয়েই এই শীতৰ সময়ছোৱাও পাৰ কৰি দিয়া। মই ভিতৰলৈ যাওঁ।
পৰুৱাই ঘৰৰ ভিতৰত সোমাই দুৱাৰখন জপাই দিলে।




## ভাবোঁ আৰু কওঁ আহা -

১.ফৰিঙে গৰমৰ দিনত খাদ্য সংগ্ৰহ নকৰি গান গাই নাচি-বাগি ফুৰিছিল।

— ফৰিঙৰ এই কাৰ্যটো সঠিক আছিল বুলি তুমি ভাবানে?

২.যদি পৰুৱায়ো ফৰিঙৰ দৰে গৰমৰ দিনকেইটাত খাদ্য সংগ্ৰহ নকৰি নাচি-বাগি থাকিলহেঁতেন, তেতিয়া সাধুটো কেনেদৰে আগবাঢ়িলহেঁতেন?

# কুকুৰা, কুকুৰ আৰু শিয়ালী

*প্ৰস্তুতকৰ্তা ঃ অনুজ কুমাৰ বড়া, ভাস্কৰজ্যোতি বড়া*

এখন হাবিত এটা কুকুৰা আৰু কুকুৰে বাস কৰিছিল। দুয়ো বন্ধু আছিল। এদিনৰ কথা -






এনেদৰে গৈ গৈ দুয়ো হাবিখনৰ শেষ সীমা পালেগৈ


বহু দূৰ আহিলোঁ দেখোন। লাহে লাহে ৰাতিও হৈ আহিছে। এতিয়া কি কৰা যায়!


বন্ধু, সৌ গছজোপাৰ কাষলৈকে যাওঁ ব'লাচোন।


আমি আজি এই গছজোপাতে থাকিলেই ভাল হ'ব বুজিছা। মই গছৰ ডালত থাকিম আৰু তুমি তলৰ খোৰোংটোতে থাকিবা।


কথামতেই কুকুৰা গছৰ ডালত আৰু কুকুৰটো গছৰ খোৰাংটোত থাকিল।


পাছদিনা পুৱা...
কক্ ক কক্
কক্ ক কক্


সেইফালেদি এজনী শিয়ালী গৈ আছিল। কুকুৰাটো দেখি শিয়ালীৰ লোভতে জিভাৰ পানী পৰিবলৈ ধৰিলে।


ইমান নোদোকা কুকুৰা! ইয়াক কেনেকৈ খাওঁ বাৰু! উম... বুদ্ধি এটা পাইছোঁ।


কুকুৰা ককাই, ইমান শুৱলা তোমাৰ মাতটো। আহাচোন, তললৈ নামি আহি মোক গীত এটাকে গাই শুনোৱাহি।


শিয়ালী বাই, তুমি তললৈ নামি আহিবলৈ ক'লেই মই আহিব নোৱাৰিম নহয়। তলত মোৰ দুৱাৰ ৰখীয়াজন আছে। তেওঁক কৈ তুমিয়েই ওপৰলৈ আহা।

কুকুৰাৰ কথা শুনি শিয়ালীয়ে গছজোপাৰ গুৰিত খুন্দিয়াবলৈ লাগিল। কেঁচা টোপনি ভঙাত কুকুৰটো খঙেৰে খোৰোঙৰ পৰা ওলাই শিয়ালীক খেদি আহিল।



ভয়তে শিয়ালীয়ে তৰা-নৰা ছিঙি হাবিলৈ লৰ দিলে।






নীতিকথাঃ "বন্ধুত্ব আৰু বুদ্ধিৰে যিকোনো বিপদৰ পৰা নিজক ৰক্ষা কৰিব পাৰি ।"

## ভাবোঁ আৰু কওঁ আহা -

১.কুকুৰা আৰু শিয়ালৰ ভিতৰত কাৰ বুদ্ধি বেছি বুলি ভাবা? আৰু কিয়?

২.সাধুটোৰ কোনটো সংলাপ তোমাৰ আটাইতকৈ ভাল লাগিল? সেই সংলাপটো সমনীয়াৰ আগত কৈ শুনোৱা।

# কপৌ চৰাই আৰু খেতিয়ক

*প্ৰস্তুতকৰ্তা ঃ হীৰামণি বৰুৱা, ইনজামূল হক*







কেইদিনমানৰ পাছতে কণী ফুটি দুটা সৰু সৰু পোৱালি জগিল।


কপৌহালে মনত বৰ ৰং পালে; কিন্তু তাৰ লগে লগে সিহঁতৰ চিন্তাও বাঢ়িল।
ধানবোৰ লাহে লাহে পকিবলৈ ধৰিছে। দুদিনমানৰ পাছতে হয়তো খেতিয়কৰ পৰিয়ালে ধান দাবলৈ আৰম্ভ কৰিব।
এৰা, পোৱালিকেইটাও সৰু হৈ আছে। সিহঁত উৰিব পৰা হোৱালৈকে অন্ততঃ এই ঠাইতে থাকিব পৰা হ'লে ভাল আছিল।


এদিন কপৌহাল খাদ্য বিচাৰি বাহৰ পৰা বহু দূৰলৈ যাবলগীয়া হৈছিল। তেনে সময়তে খেতিয়কজন তেওঁৰ পুতেকৰ সৈতে পথাৰলৈ আহিল।
ধানখিনি পকিবলৈ ধৰিছে। সোনকালে দাই নিব লাগিব। তই কাইলৈ গাঁৱৰ মানুহক লগত লৈ আহি ধানখিনি দাই পেলাবি।
হ’ব দেউতা।


খেতিয়কজনৰ কথা শুনি কপৌচৰাইৰ পোৱালি দুটাই বৰ ভয় খালে
আমি ইয়াৰ পৰা যাওঁগৈ ব'লা। আমাক কাইলৈ মানুহবোৰে ধৰি লৈ যাব।
তোমালোকে ইমান ভয় কিয় কৰিছা? তোমালোকৰ একো নহয়। খেতিয়কজনে গাঁৱৰ মানুহ মাতি ধান দোৱাৰ কথা কৈছে। গতিকে ধান দাবলৈ এতিয়াও বহুত সময় আছে।


পাছদিনা পুনৰ খেতিয়কজন পুতেকৰ সৈতে পথাৰখনলৈ আহিল
কালি তই মানুহবোৰক ধান দাবলৈ নামাতিলি নেকি? কোনো নাহিল যে !
মই সকলোকে কৈছিলোঁ কিন্তু তেওঁলোক কিয় বা নাহিল !


হ'ব দে। কাইলৈ তই দদায়েৰাহঁতকে ধান দাবলৈ মাতি আহিবি।
হ'ব দেউতা।


গধূলি সময়ত...
আমাক ইয়াৰ পৰা লৈ যোৱা আমাৰ বৰ ভয় লাগিছে।
তোমালোকৰ একো নহয়, চিন্তা নকৰিবা।
কাইলৈ তেওঁলোক তেওঁলোকৰ আপোন মানুহক লগত লৈ ধান দাবলৈ আহিব।


কেইদিনমানৰ পাছত...
আজি চাৰি-পাঁচদিন পাৰ হ'ল খেতি চপাবলৈ কোনো মানুহ নাহিল। কাইলৈৰ পৰা তয়ে ময়ে ধানখিনি দাব লাগিব। নহ'লে নষ্ট হৈ যাব।


কপৌহাল বাহলৈ ঘূৰি অহাৰ পাছত.......
এইবাৰ আমি ইয়াৰ পৰা যাব লাগিব। ইহঁত উৰিব পৰা হৈছে। ব'লা আজিয়েই আমি ইয়াৰ পৰা যাওঁগৈ।


দেউতাকৰ কথা শুনি পোৱালি দুটা আচৰিত হ'ল।
ইমান দিনে তেওঁলোকে আনৰ ওপৰত নিৰ্ভৰ কৰি আছিল। এতিয়া নিজে ধানখিনি দাবলৈ আহিম বুলি কৈছে যেতিয়া নিশ্চয় আহিব। গতিকে আমি এতিয়া ইয়াৰ পৰা যোৱাই মংগল হ'ব।
দেউতা, ইমানদিনে তুমি ইয়াৰ পৰা যোৱাৰ কথা কোৱা নাছিলা। আজি হঠাৎ তোমাৰ কি হ'ল?




## ভাবোঁ আৰু কওঁ আহা -

১.শেষত কপৌহালে কি সিদ্ধান্ত লৈছিল? চৰাইহালৰ সিদ্ধান্তৰ সৈতে তুমি একমত হয়নে?

২.সঁচাকৈয়ে খেতিয়কজনে তেওঁৰ পুতেকৰ সৈতে পাছদিনা ধান দাবলৈ আহিলনে? ভাবা আৰু সাধুটোৰ পৰৱৰ্তী অংশটো সম্প্ৰসাৰণ কৰি কোৱা।

# বনৰজা আৰু বগলী

*প্ৰস্তুতকৰ্তা ঃ প্ৰাঞ্জল চিত্ৰকৰ, সঞ্জীৱ শৰ্মা*



বহু চেষ্টা কৰিও বনৰজাই হাড়ডাল এৰুৱাব নোৱাৰিলে। সেয়েহে বনৰজাই বনৰ বাকী জীৱ-জন্তুবোৰক হাড়ডাল এৰুৱাই দিবলৈ অনুৰোধ কৰিলে।



বনৰজা সিংহৰ চলাহী কথাত কোনো জীৱ-জন্তুৱেই ভোল নগ'ল বনৰজাই এটা বগলীক লগ পাই নিজৰ দুখৰ কথা ইনাই-বিনাই ক'লে-




পুৰস্কাৰ দিয়ে যদি মই হাড়ডাল উলিয়াই দিয়াটো উচিত হ'ব !
হ'ব বাৰু, মই তোমাৰ ডিঙিৰ হাড়ডাল মোৰ ঠোঁটৰ সহায়ত উলিয়াই দিম ।


বগলীয়ে বনৰজাৰ ডিঙিৰ পৰা হাড়ডাল উলিয়াই আনিবলৈ সন্মত হ'ল। বহু চেষ্টাৰ অন্তত বগলীয়ে বনৰজাৰ ডিঙিৰ পৰা হাড়ডাল উলিয়াই আনিলে।


উফ, এতিয়াহে ডিঙিটো মুকলি মুকলি লাগিছে।
এতিয়া মোৰ পুৰস্কাৰটো দিয়া।
মোৰ মুখত ঠোঁট সুমুৱাই আজিলৈকে কোনেও ৰক্ষা পোৱা নাই। তই যে ভালে ভালে সাৰিব পাৰিলি সেয়াই বহুত। ইয়াতকৈও ডাঙৰ পুৰস্কাৰ তোক আৰু কি লাগে?




## ভাবোঁ আৰু কওঁ আহা -

১.বনৰজাই বগলীৰ লগত সঠিক ব্যৱহাৰ কৰিছিল বুলি তুমি ভাবানে?

২.বনৰজাৰ ঠাইত তুমি হোৱা হ'লে কেনেধৰণৰ ব্যৱহাৰ কৰিলাহেঁতেন?

# কাউৰী আৰু শিয়াল

প্ৰস্তুতকৰ্তা ঃ ফাৰহিন আহমেদ, ধ্ৰুৱজ্যোতি শইকীয়া







তেনেতে এটা শিয়াল গছজোপাৰ তল পালেহি আৰু কাউৰীজনীৰ মুখত মঙহৰ টুকুৰাটো দেখি শিয়ালৰ লোভ লাগিল।
কাউৰীৰ মুখৰ পৰা মঙহটুকুৰা কেনেকৈ খাব পৰা যায়? উম... বুদ্ধি এটা পাইছোঁ!
কাউৰী বাই, কাউৰী বাই, তুমি দেখিবলৈ বৰ ধুনীয়া! তোমাৰ ৰূপটোৰ দৰেই মাতটোও বৰ শুৱলা। তোমাৰ মৌ মিঠা মাতটোৰে মোক এটা গীত গাই শুনোৱাচোন।
শিয়ালৰ কথা শুনি কাউৰীয়ে ৰংমনেৰে গীত গাবলৈ মুখ মেলিছিলহে, তেতিয়াই মঙহটুকুৰা মাটিত সৰি পৰিল।
কা... কা...







## ভাবোঁ আৰু কওঁ আহা -

১.শিয়ালটোৰ মনত খেলোৱা বুদ্ধিটো সঠিক আছিল বুলি তুমি ভাবানে? দলত আলোচনা কৰি কোৱা ।

২.যদি কাউৰীজনীৰ সলনি শিয়ালটোৱে মুখত মঙহটুকুৰা লৈ গৈ থাকিলহেঁতেন আৰু কাউৰীজনীক লগ পালেহেঁতেন, তেতিয়া সাধুটো কেনেদৰে আগবাঢ়িলহেঁতেন?

# শিয়াল আৰু টেঙা আঙুৰ

*প্ৰস্তুতকৰ্তা ঃপ্লাৰিতা গগৈ, ইন্দ্ৰানী গগৈ*

এদিন এটা শিয়ালে আঙুৰৰ বাগিচা এখন দেখিলে। আঙুৰবোৰ দেখি শিয়ালটোৰ লোভত জিভাৰ পানী ওলাই আহিল।







কি কৰিলে আঙুৰবোৰ ছিঙি খাব পাৰিম! উপায় এটা ভাবি উলিয়াব লাগিব।


জঁপিয়াবলৈকে চেষ্টা কৰোঁচোন। কিজানিবা ঢুকি পাব পাৰোঁৱেই!


শিয়ালটোৱে বহু চেষ্টা কৰিও আঙুৰ খাব নোৱাৰিলে।
জঁপিয়াই জঁপিয়াই ভাগৰেই লাগিছে। তথাপি আকৌ এবাৰ চেষ্টা কৰি চাওঁচোন।


ইয়াৰ পৰা যোৱাই ভাল হ'ব। আঙুৰবোৰ চাগৈ মিঠা নহয়, খাবলৈ টেঙাহে হ'ব।




## ভাবোঁ আৰু কওঁ আহা -

১.শিয়ালটোৱে আঙুৰবোৰ কিয় টেঙা বুলি কৈছিল?
২.শিয়ালটোৱে আঙুৰ ছিঙিবলৈ কি কৰিছিল? ইয়াৰ উপৰি শিয়ালটোৱে আৰু কি উপায় অৱলম্বন কৰিব পাৰিলেহেঁতেন বুলি তুমি ভাবা?

# গাধ আৰু শিয়াল

*প্ৰস্তুতকৰ্তা ঃ জাহ্নৱী ফুকন, পূজা শইকীয়া*







হেৰা গাধ ককাই, তুমি এই অৰণ্যখনত নতুন নেকি ? আগতে দেখোন তোমাক ইয়াত দেখা নাই।
হয় শিয়াল ভাইটি, পিছে নতুন অৰণ্যখনত মই বৰ অকলশৰীয়া হৈ পৰিছোঁ।


চিন্তা নকৰিবা ককাই, আজিৰ পৰা আমি দুয়ো বন্ধু।
ধন্যবাদ বন্ধু।


কিছুদিনৰ পাছত
বন্ধু, অৰণ্যখনত দেখোন খাদ্যৰ নাটনি হৈছে
তাকেহে বন্ধু। কি কৰা যায় এতিয়া?


এটা কাম কৰোঁ আহা, কাষৰ গাঁওখনৰ মানুহৰ ঘৰলৈকে যাওঁ। তুমি বাৰীৰ কোমল ঘাঁহ খাবা আৰু মই হাঁহ,পাৰ যি পাওঁ খাম।
বঢ়িয়া হ'ব বন্ধু।


বন্ধু, মোৰ গান এটা গাবলৈ বৰকৈ মন গৈছে। তুমি হয়তো গমেই নোপোৱা, মই যে কিমান শুৱলাকৈ গান গাওঁ।


হ'ব বন্ধু, মই তোমাৰ গান পাছত শুনিম । গৃহস্থই সাৰ পালে আমাৰ অৱস্থা কাঢ়িল হ'ব।.


নহয় বন্ধু, মই সৰুকৈহে গাম। গৃহস্থই গমকে নাপাব। লা... লা...
বন্ধু , মই হ'লে আহিলোঁ দেই।


সেইটো গাধৰ মাত যেন লাগিছে। কোনেবাকৈ শাকনিডৰাত গাধ সোমাল নেকি?


সৰ্বনাশ, ই দেখোন গোটেই
শাকনিডৰা খাই শেষ কৰিলে।
ইয়াক আজি বান্ধি ঘৰলৈকে লৈ যাওঁ।


কিয় যে মই গান
গাইছিলোঁ!




## ভাবোঁ আৰু কওঁ আহা -

১.গাধটোৰ সলনি শিয়ালটোৱে গান গোৱা হ'লে গৃহস্থই শিয়ালটোক ধৰি লৈ যাব পাৰিলহেঁতেননে?

২.গৃহস্থই গাধটোক ধৰি লৈ গৈ কি কৰিলে বুলি তুমি ভাবা?

# মেকুৰী আৰু বান্দৰ

*প্ৰস্তুতকৰ্তা ঃ জনাৰ্দন বড়া, মাৰ্টিনা কোঁৱৰ*







ওৰা! সিহঁতে আকৌ কিয় কাজিয়া কৰিছে? সুধি আহোঁগৈচোন।
কি হ'ল তহঁতৰ?
বান্দৰ ককাই, এই ৰুটিখন মই প্ৰথমতে দেখিছিলোঁ। সেইবাবে মই সৰহকৈ খাম।
নাই মইও দেখিছোঁ, গতিকে মোকো সৰহকৈ লাগিব।
তহঁতে কাজিয়া কৰিব নালাগে। ৰুটিখন ময়েই সমানকৈ ভাগ কৰি দিওঁ ৰহ।
অ', হ'ব।
ঠিক আছে।


এইবাৰ এইফালে দেখোন বেছি হ'ল।


বান্দৰ ককাই, তুমি এয়া কি কৰিছা?
মেকুৰী ভাইহঁত, তহঁতে চিন্তা নকৰিবি। ৰুটিটুকুৰা সমান কৰিবলৈ মই অলপ খাই দিছোঁ।


অ মিকু, বান্দৰ ককায়ে দেখোন ৰুটিখন খাই শেষই কৰিব এতিয়া।
তাকেহে, ৰুটিখনৰ দেখোন এটুকুৰাহে বাকী আছে গৈ।


বান্দৰ ককাই, তুমি আমাৰ ৰুটিডোখৰ দিয়া, আমি নিজে ভগাই খাম।
নহ'ব নহ'ব, মই ইমান সময় কষ্ট কৰি কি পালোঁ? সেয়ে এইটুকুৰা ৰুটিও ময়ে খাম।


হে'ৰ মেকুৰীহঁত,কি চাই আছ'? এতিয়া ঘৰলৈ যাগৈ যা।
অই মিকু, বান্দৰ ককায়ে আমাক বৰ বেয়াকৈ ঠগিলে।
ও, হয় চিকু। আজিৰ পৰা আমি কিবা বস্তু নিজৰ মাজতে ভগাই খাম। এতিয়া যাওঁগৈ ব'ল।
দুয়ো দুখ মনেৰে ঘৰলৈ উভতি যায়।
নীতিকথা : "নিজৰ মাজৰ কন্দলে শত্ৰুক সুযোগ দিয়ে, গতিকে মিলি থকাই বুদ্ধিমানৰ কাম।"

# ভাবোঁ, কওঁ আৰু লিখোঁ আহা -

১.বান্দৰে অৱলম্বন কৰা বুদ্ধিটো সঠিক আছিল বুলি তুমি ভাবানে?

২.তলৰ ছবিখন চাই চৰিত্ৰকেইটাৰ বাবে একোটাকৈ সংলাপ লিখা আৰু কোৱা।



# জ্ঞানী চৰাই

*প্ৰস্তুতকৰ্তা ঃ নিকুঞ্জ আৰান্ধৰা দত্ত, পল্লৱী দেৱী*

এখন অৰণ্যৰ এজোপা প্ৰকাণ্ড গছত এজাক চৰায়ে বাস কৰিছিল।




চৰাইজাকৰ মাজত বুঢ়া চৰাই এটা আছিল। সেই চৰাইটো কিন্তু বৰ জ্ঞানী আছিল। এদিনাখনৰ কথা—
বন্ধুসকল, আমি থকা গছজোপাৰ গুৰিত লতা এডাল গজিছে। তোমালোক সকলোৱে নিশ্চয় মন কৰিছা।
হয়,হয় মন কৰিছোঁ।
এই লতাডাল আমি অতি সোনকালে আঁতৰাই দিব লাগিব। নহ'লে পাছত এই লতাডালে আমালৈ বিপদ মাতি আনিব।
বিপদ মাতি আনিব? কি বিপদ? তুমি মিছাকৈয়ে চিন্তা কৰিছা। এই সামান্য লতাডালে আমাৰ কোনো অনিষ্ট কৰিব নোৱাৰে। তুমি চিন্তা নকৰিবা।
বুঢ়া চৰাইটোৰ কথাত কোনেও গুৰুত্ব নিদিলে। লাহে লাহে লতাডাল বাঢ়ি আহি গোটেই গছজোপাকে ছানি ধৰিলে।


এদিন এজন চিকাৰী সেইফালেৰে গৈ আছিল।
এইজোপা দেখোন প্ৰকাণ্ড গছ! এই লতাডালেৰে বগাই বগাই গছজোপাৰ ওপৰলৈকে উঠি যাব পাৰিম !


চিকাৰীজনে লতাডালৰ সহায়ত গছজোপাৰ ওপৰলৈ উঠি গ'ল।


চৰাইবোৰ তেতিয়া বাহত নাছিল; আহাৰ বিচাৰি ওলাই গৈছিল।
বাঃ বাঃ, ইমানবোৰ চৰাইৰ বাহ ! আজি মোৰ কপালহে ভাল।



মই এই জালখন ইয়াতেই মেলি থৈ যাওঁ। ৰাতি জালত চৰাইবোৰ লাগি ধৰিব। মই পুৱাতেই আহি চৰাইবোৰ ধৰি লৈ যাম।
সন্ধিয়াপৰত চৰাইবোৰ বাহলৈ আহিল।
আমি দেখোন জালত লাগি ধৰিলোঁ। কি কৰোঁ? আমাক কোনে ৰক্ষা কৰিব?
মই তোমালোকক আগতেই সাৱধান কৰি দিছিলোঁ। লতাডাল উভালি নেপেলালে আমাৰ বিপদ হ'ব পাৰে বুলি। মোৰ কথা নুশুনাৰ ফল এতিয়া হাতে হাতে পাইছা।
আমাক ক্ষমা কৰি দিয়া।এই বিপদৰ পৰা ৰক্ষা পাবৰ বাবে আমাক তুমি এটা উপায় দিয়া।
হ'ব বাৰু। এতিয়া মই কোৱামতে তোমালোকে কৰিবা।


পাছদিনা পুৱা চিকাৰীজনে চৰাই ভৰ্তি জালখন লৈ তললৈ নামি আহিল।
কি আচৰিত! জালত লাগি থকা চৰাইবোৰ দেখোন মৰি আছে। এটা এটাকৈ চৰাইবোৰ তললৈ পেলাই দিয়াই ভাল হ'ব।


শেষৰ চৰাইটো মাটিত পৰাৰ পাছত।
ব'লা, এতিয়া আমি সকলোৱে উৰি যাওঁ!
কি আচৰিত, চৰাইকেইটাচোন উৰি গ'ল ।
বুঢ়া চৰাইটোৰ বুদ্ধি মতেই চৰাইজাক চিকাৰীৰ হাতৰ পৰা ৰক্ষা পৰিল।




## ভাবোঁ আৰু কওঁ আহা -

১.চৰাইজাকে বয়সীয়াল চৰাইটোৰ কথা শুনা উচিত আছিল বুলি তুমি ভাবানে? কিয়?

২."ব'লা, এতিয়া আমি সকলোৱে উৰি যাওঁ।"
চৰাইজাক বাৰু উৰি গৈ কোন ঠাই পালেগৈ? তাত আকৌ কিবা নতুন বিপদৰ সন্মুখীন হ'ল নেকি? নাইবা চৰাইজাকৰ লগৰ কিবা নতুন ঘটনা ঘটিল নেকি? কল্পনা কৰা আৰু কোৱা।

# কাউৰী আৰু ম'ৰা চৰাই

*প্ৰস্তুতকৰ্তা ঃ পৰিণীতা বৰফুকন, মিনাক্ষী দাস*







কাউৰীজনী তৎক্ষণাত উৰি গৈ গছজোপাৰ তল পালেগৈ।
এই ধুনীয়া ধুনীয়া ম'ৰা চৰাইৰ পাখিবোৰ মই গাত লগাই লওঁ। তেতিয়া মোকো ম'ৰা চৰাই বুলিয়ে ভাবিব, কিমান যে ভাল লাগিব!


বাঃ ময়ো ম'ৰা চৰাইবোৰৰ দৰে ধুনীয়া হৈ পৰিলোঁ!
এইটো কি চৰাই? কাউৰীৰ দৰে ক'লা কিন্তু ম'ৰা চৰাইৰ দৰে ধুনীয়া পাখি আছে।


চৰাইবোৰে কাউৰীজনীক বৰকৈ খুঁটিলে। ফলত ম'ৰা চৰাইৰ পাখিবোৰৰ লগতে নিজৰো বহু পাখি হেৰুৱালে।


উসঃ বৰকৈ বিষাইছে! মই লগৰ কাউৰীবোৰৰ ওচৰলৈ যাওঁগৈ।







নীতিকথাঃ "নিজৰ পৰিচয়ক লৈ সন্তুষ্ট থকাই ভাল, নহ'লে কেতিয়াবা বিপদত পৰাৰ সম্ভাৱনা থাকে।"

## ভাবোঁ, কওঁ আৰু লিখোঁ আহা -

১.কাউৰীয়ে ম'ৰা চৰাইৰ ভেশ ধৰি ধুনীয়া হ'বলৈ ইচ্ছা প্ৰকাশ কৰিছিল। সেইবাবে ম'ৰা চৰাইৰ পাখি গাত গুজি লৈছিল। কাউৰীৰ এই সিদ্ধান্ত শুদ্ধ আছিলনে নাছিল? আৰু কিয়?

২. তলত দিয়া ছবিখনৰ চৰিত্ৰকেইটাৰ বাবে একোটাকৈ সংলাপ কোৱা আৰু লিখা।



# নীলবৰণীয়া শিয়াল

*প্ৰস্তুতকৰ্তা ঃ লক্ষ্মী তাঁতী, নিতামণি খাখলাৰী*







নগৰত খাদ্যৰ সন্ধান কৰি থাকোঁতে হঠাৎ এটা কুকুৰে শিয়ালটোক খেদি আহিল।
কুকুৰটোৱে দেখোন ভুকি ভুকি মোৰ ফালেই আহিছে।
ভৌ... ভৌ...


বেগাই দৌৰাই ভাল হ'ব !
ভৌ... ভৌ...


কুকুৰটোৱে পিছ নেৰা দেখি শিয়ালটোৱে ভয়তে এজন ধোবাৰ ঘৰৰ পাছফালে নীল মিহলাই থোৱা পানীৰ চৰিয়াটোতে জঁপিয়াই সোমালগৈ।
ই দেখোন পানীত পৰিল। মই ইয়াৰ পৰা যোৱাই ভাল হ'ব।


মই তেনেই নীলবৰণীয়া হৈ পৰিলোঁ। নীলা হৈ পৰা চেহেৰাটো লৈ মই হাবিলৈ যোৱাই ভাল হ'ব।


হাবিৰ কোনো প্ৰাণীয়েই মোক চিনি পোৱা নাই। সকলোৱে মোক দেখিলে ভয় খাই আঁতৰিহে গৈছে। উম... বুদ্ধি এটা পাইছোঁ। দেখা যাওক কি হয়... !!!
শিয়ালটোৱে হাবিৰ সকলো জীৱ-জন্তুক মাতি এখন সভা পাতিলে।
বন্ধুসকল, তোমালোকে ভয় কৰিব নালাগে। মই ঈশ্বৰৰ দূত, তোমালোকৰ সহায়ৰ কাৰণে হাবিলৈ আহিছোঁ। এতিয়াৰ পৰা তোমালোকে মোৰ আল-পৈচান ধৰিবা আৰু ভাল ভাল খাদ্যৰ যোগান ধৰিবা। তেতিয়াহে তোমালোকৰ মংগল হ'ব।
প্ৰতিদিনে জীৱ-জন্তুবোৰে নীলা শিয়ালক খাদ্যৰ যোগান ধৰিবলৈ ল'লে সেই খাদ্য খাই শিয়ালে মহা আনন্দৰে দিন নিয়াবলৈ ধৰিলে।


এদিন সন্ধিয়া...
হো...ৱা... হো...ৱা...
মোৰ ভাইহঁতে 'হোৱা' দিয়া শুনিছোঁ... মোৰো 'হোৱা' দিবলৈ মন গৈছে। কোনে জানিব মই শিয়াল বুলি !


হো... ৰা...., হো...ৰা...


অ' ই এটা মানে ধূৰ্ত শিয়ালহে আছিল।
হো...ৰা..., হো...ৰা...
ই, ঈশ্বৰৰ দেৱদূত হোৱাৰ ভাও দি আমাক ঠগিহে আছিল।
ইয়াক এসেকা দিয়া যাওক।




## ভাবোঁ আৰু কওঁ আহা -

১.শিয়ালটো কাৰ ঘৰত সোমাইছিল?

২.শিয়ালটো ধোবাজনৰ ঘৰৰ সলনি যদি কুমাৰৰ ঘৰত সোমালহেঁতেন, তেতিয়া সাধুটো কেনেদৰে আগবাঢ়িলহেঁতেন?

# বান্দৰ আৰু ঘঁৰিয়াল

*প্ৰস্তুতকৰ্তা ঃ দেৱজ্যোতি বড়া*

এসময়ত এখন নদীৰ পাৰত এজোপা প্ৰকাণ্ড জামুক গছ আছিল। গছজোপাত পকা পকা জামুকবোৰ ডাল ভৰি আছিল। বহুদিন ধৰি বান্দৰ এটাই সেই জামুকজোপাতে বাস কৰিছিল।




এদিন এটা ঘঁৰিয়াল জামুকজোপাৰ তলত ৰ'দ ল'বলৈ আহিল।
সি তলসৰা জামুক কেইটামান খাই বৰ সোৱাদ পালে।
ঘঁৰিয়াল ককাই, তুমি মিঠা জামুক খাবা নেকি?
খাম, খাম, নিশ্চয় খাম।
তেন্তে ওপৰলৈ উঠি আহা। দুয়ো একেলগে জামুক খাম।


মই ওপৰলৈ উঠিব নোৱাৰোঁ নহয়। তুমিয়ে মোক দুটামান ছিঙি দিয়াচোন।


ঠিক আছে। মই তোমালৈ জামুক পেলাই দিছোঁ, খাই ভাল পালে কাইলৈও আহিবা।


বাহঃ জামুককেইটা বৰ মিঠা। মই কাইলৈ আকৌ জামুক খাবলৈ আহিম।


এনেদৰে সদায় ঘঁৰিয়ালটোৱে নদীৰ পাৰলৈ আহি বান্দৰৰ পৰা জামুক খায়হি আৰু ঘঁৰিয়ালনীৰ কাৰণেও লৈ যায়।


জামুকবোৰ ইমান মিঠা। সদায় জামুক খাই খাই বান্দৰৰ কলিজাটো চাগে আৰু মিঠা হ'ব।


শুনাচোন, জামুক খাই খাই বান্দৰটোৰ কলিজাখন চাগে বৰ মিঠা হৈছে। মোৰ তাৰ কলিজাখন খাবলৈ বৰ মন গৈছে। যেনে তেনে আনি দিয়াচোন।
ঘঁৰিয়ালে কথাটো শুনি পোনচাটেই নাকচ কৰিলে। কিন্তু পত্নীৰ আকোঁৰগোজালিত শেষত মান্তি হৈ বান্দৰৰ ওচৰ পালেগৈ।
বন্ধু আজি তোমাক মই মোৰ ঘৰলৈ নিবলৈ আহিছোঁ। দুপৰীয়া সাঁজৰ বাবে ঘঁৰিয়ালনীয়ে তোমাক মাতি পঠিয়াইছে।
ঘঁৰিয়ালে বান্দৰটোক পিঠিত উঠাই লৈ নৈৰ মাজ পালেগৈ।
বন্ধু, কথা এটা কওঁ। আচলতে ঘঁৰিয়ালনীয়ে তোমাৰ কলিজাখনহে খাব বিচাৰিছে। সেয়ে মই তোমাক লৈ আহিছোঁ।
এহ সখী, আগতে কথাটো নক'লা কিয়? মই মোৰ কলিজাটো জামুক গছজোপাৰ খোৰোঙতে থৈ আহিলোঁ নহয়। ব'লা তেনেহ'লে, লৈ আনোগৈ।
দুয়ো পুনৰ উভতি আহিল। বান্দৰে একে জাপে গছৰ ওপৰ পালেগৈ।
হেৰ', মূৰ্খ ঘঁৰিয়াল। কলিজাটো গাৰ পৰা আঁতৰাই থোৱা ক'ৰবাত শুনিছ নেকি?




## ভাবোঁ আৰু কওঁ আহা -

১.বান্দৰ আৰু ঘঁৰিয়ালৰ মাজত কোনটো চৰিত্ৰ তোমাৰ বেছি ভাল লাগিল? আৰু কিয় ভাল লাগিল?

২.বান্দৰে কলিজাটো সঁচাকৈ গছজোপাত থৈ আহিছিলনে? যদি থৈ অহা নাছিল, তেনেহ'লে বান্দৰটো ঘঁৰিয়ালৰ সৈতে কিয় উভতি আহিছিল?

# ঈগল আৰু কাছ

*প্ৰস্তুতকৰ্তা ঃ অংকিতা গগৈ, ভিতালী ফুকন*

এসময়ত এখন বিলত এটা কাছই বাস কৰিছিল। বিলখনৰ পাৰত এজোপা ওখ গছত এটা ঈগলেও বাস কৰিছিল। এদিন কাছটোৱে বিলৰ পাৰৰ এটুকুৰা মুকলি ঠাইত ৰ'দ লৈ আছিল। সেই সময়তে ঈগলটোও উৰি আহি সেই ঠাইত পৰিলহি।




বন্ধু, কি খবৰহে?
ভাল। পিছে আমাৰ বহুদিন দেখা-সাক্ষাৎহে হোৱা নাই।


এৰা। তুমিতো জানাই, মোৰ অনবৰতে দেশ-বিদেশ ফুৰি ফুৰা হয়।
তোমাক দেখি মোৰ উৰি ফুৰিবলৈ মন যায়।


অঁ। ফুৰিব লাগে । পিছে তুমিনো নুফুৰি কিয় সোমাই থাকা ?
মোকনো কোনে নিব? মোৰতো তোমাৰ দৰে উৰি ফুৰিবলৈ ডেউকা নাই ।


এটা কাম কৰিলে কেনে হয় বান্ধৈ ? তুমিয়ে দেখোন মোক ফুৰিবলৈ নিব পাৰা।
ই কেনেকৈ সম্ভৱ বন্ধু ? ডেউকা অবিহনে তুমি কেনেকৈ উৰিবা ?


কাছই ঈগলৰ সৈতে উৰি ফুৰি দেশ-বিদেশ চাবলৈ আকোঁৰগোজ হৈ থাকিল।
মোৰ ডেউকা নাই সেই কথাটো মই জানো। কিন্তু বান্ধৈ, মোক তুমি কিবা প্ৰকাৰে হ'লেও ফুৰাবলৈ নিবই লাগিব।


কথামতেই এদিন দুয়ো দেশ-বিদেশ ফুৰিবলৈ ওলাল। কাছই ঈগলৰ ঠেঙত টানকৈ ধৰি ল'লে।



অলপ দূৰ যোৱাৰ পাছত
তোমাৰ দৰে মোৰো উৰিবলৈ মন গৈছে। এবাৰ মোক উৰিবলৈ শিকাই দিয়াচোন।
নাই নাই, তুমি মোৰ ঠেঙ দুটাতে ভালকৈ ধৰি গৈ থাকা। নহ'লে বিপদ হ'ব।
কাছই নিজৰ কথাত আকোঁৰগোজ হৈ থকাত উপায় নাপায় ঈগলে ক'লে
এইবাৰ তুমি তেনেহ'লে উৰিবলৈ চেষ্টা কৰিবা দেই। এয়া মই তোমাক এৰি দিলোঁ।
কাছই ঈগলৰ ঠেঙ দুখন এৰি দিয়াৰ লগে লগে হুৰহুৰাই তললৈ নামি আহিল।
মৰিলোঁ ঐ বান্ধৈ, মোক ধৰা ধৰা।







## ভাবোঁ আৰু কওঁ আহা -

১.সাধুটোত ঈগলটোৱে কাছটোক কেনেদৰে ফুৰাবলৈ লৈ গৈছিল?
২.যদি কাছটোৱে ঈগলটোক ফুৰাবলৈ নিলেহেঁতেন, তেতিয়া কেনেদৰে লৈ গ'লহেঁতেন?

# বুধিয়ক কাউৰী

*প্ৰস্তুতকৰ্তা ঃ ধীৰাজ মিলি*







পানীখিনি ইমান তলত আছে। মোৰ ঠোঁটে ঢুকিয়েই নাপাব।


কিবা এটা কৰিব লাগিব।


মই এই শিলবোৰ কলহটোত ভৰাই দিওঁ। নিশ্চয় পানীখিনি ওপৰলৈ উঠি আহিব।


এটা... দুটা... তিনিটা... পানীখিনি ওপৰলৈ আহিছে।


আৰু কেইটামান শিলগুটি
পেলাই দিলেই পানী খাব
পাৰিম।


দেহা শীতল পৰি
গৈছে।
নীতিকথা: "বুদ্ধিৰে অসম্ভৱ
কামকো সম্ভৱ কৰিব পাৰি।"

## ভাবোঁ, কওঁ আৰু অংকন কৰোঁ আঁহা -

১.কাউৰীজনীৰ মনত খেলোৱা বুদ্ধিটো সঠিক আছিলনে? তুমি কি ভাবা?

**২. যিকোনো এটি চৰাইৰ ছবি অংকন কৰা।**

# কপৌ চৰাই আৰু নিগনিৰ বন্ধুত্ব

*প্ৰস্তুতকৰ্তা ঃ অসীমজ্যোতি ফুকন*







কিছুদূৰ যোৱাৰ পাছত -
আহা, আমি সকলোৱে সৌ গছজোপাৰ ছাঁতে অলপ সময় জিৰণি লওঁ।


সৌৱা চোৱা। গছজোপাৰ তলত ভালেমান খাদ্য বস্তু সিঁচৰতি হৈ পৰি আছে।
সকলোৰে পেট ভৰাই খোৱাৰহে কথা।


চৰাইজাকে আনন্দ মনেৰে খাদ্য খাই থকা সময়তে এখন ডাঙৰ জালে সিহঁতক আৱৰি ধৰিলে।


হায় ! হায় ! আমি দেখোন জালত আবদ্ধ হৈ পৰিলোঁ।
সৌ চিকাৰীজনে টোকোন ডাল লৈ আমাৰ ফালেই আহিছে।


চৰাইজাকে ভয়তে চিঞৰিবলৈ ধৰিলে।
তোমালোক শান্ত হোৱা। ভয় নকৰিবা। মোৰ কথা মনোযোগেৰে শুনা। সকলোৱে জালখনৰ এটা এটা গাঁঠিত ঠোঁটেৰে কামুৰি ধৰি থাকা। যেতিয়াই মই 'উৰ' 'উৰ' বুলি ক'ম সকলোৱে উৰা মাৰিবা।


বুঢ়া কপৌটোৰ কথা মতেই সকলোৱে জালখন কামুৰি উৰা মাৰিলে। চিকাৰীজনে কপৌজাক উৰি যোৱাৰ ফালে অবাক হৈ চাই ৰ'ল।


সৌ পাহাৰখনৰ সিটো পাৰে মোৰ এটা নিগনি বন্ধু আছে। আমি তালৈকে যাম। মোৰ বন্ধুৱে আমাক এই বিপদৰ পৰা ৰক্ষা কৰিব।


কিছু সময়ৰ পাছত -
তোমালোকে চিন্তা নকৰিবা। মই তোমালোকক এতিয়াই জালখনৰ পৰা মুকলি কৰি দিম।




## ভাবোঁ আৰু কওঁ আহা -

১.বয়সীয়াল কপৌচৰাইটোৰ নিগনি বন্ধুৰ সলনি শহাপহু এটা বন্ধু হিচাপে থকা হ'লে সাধুটোৰ সমাপ্তি কেনেদৰে হলহেঁতেন?

২.সাধুটোৰ নামটো হৈছে 'কপৌ চৰাই আৰু নিগনিৰ বন্ধুত্ব'। তোমাক যদি সাধুটোৰ এটা নাম দিবলৈ কোৱা হয়, তুমি কি নামেৰে নামকৰণ কৰিবা?

# আকবৰ আৰু বীৰবল

*প্ৰস্তুতকৰ্তা ঃ কল্যাণজ্যোতি গগৈ*







জাহাপনা, এই পৃথিৱীত আটাইতকৈ ডাঙৰ হ'ল শিশু।
এয়া তুমি কি কথা কৈছা? শিশু কেনেকৈ আটাইতকৈ ডাঙৰ হ'ব পাৰে? প্ৰমাণ দিব পাৰিবা? যদি পাৰা মই তোমাক সোণৰ মুদ্ৰাৰে পুৰস্কৃত কৰিম।


কেইদিনমানৰ পাছৰ কথা।
আজি দেখোন বীৰবলে লগত সৰু ল'ৰা এটি লৈ আহিছে।


সোণটো, মোৰ ওচৰলৈ আহা।


ই দেখোন মোৰ
মোচকোছাত হাত দিছে।
আস্ঃ, দুখ পাইছোঁ এৰি দিয়া।


হেৰা বীৰবল, ইমান উৎপতীয়া ল'ৰা। ই মোৰ মোচত হাত দিছেগৈ। আজিৰ পৰা এনে ল'ৰা তুমি ৰাজ সভালৈ নানিবা।
হ'ব জাহাপনা। আজিৰ পৰা নানো। আজি বিশেষ কাৰণত আনিবলগীয়া হ'ল।


বিশেষ কাৰণ? কি? বুজাই কোৱাচোন।
জাহাপনা, এই পৃথিৱীত আপুনিয়েই আটাইতকৈ শক্তিশালী আৰু ডাঙৰ। কিন্তু আজি আপোনাতকৈও ডাঙৰ এই শিশুটি। কাৰণ এই শিশুটিয়ে আজি আপোনাৰ কোচত উঠি মোচকোছা চুবলৈ সাহস কৰিছে। গতিকে প্ৰমাণ হ'ল যে আপোনাতকৈ শক্তিশালী আৰু ডাঙৰ হৈছে এটি শিশু।
বীৰবল, সঁচাকৈয়ে তুমি বৰ বুদ্ধিমান।
নীতিকথা :"মৰম আৰু সৰলতাৰ জয় সকলোতে।"

## পঢ়োঁ আৰু কওঁ আহা -

১.তলৰ ছবিখনত থকা সংলাপ দুটা পঢ়া আৰু কোনে, কাক, কি প্ৰসংগত কৈছিল কোৱা।




২.সাধুটোত বীৰবলৰ ঠাইত তুমি হোৱা হ'লে আকবৰে সোধা প্ৰশ্নটোৰ উত্তৰ কি দিলাহেঁতেন?

# গাধ আৰু ফৰিং

*প্ৰস্তুতকৰ্তা ঃ কৃষ্ণালী গগৈ, জিম্পী শইকীয়া*

এদিনাখন এটা গাধ পাহাৰৰ কাষতে থকা হাবিখনলৈ গৈ আছিল।




বাটতে গাধটোৱে এখন কচুৱনিত কেইটামান ফৰিঙে গান গাই থকা শুনিবলৈ পালে।
বাহঃ বাহঃ,ফৰিংবোৰে ইমান সুন্দৰকৈ গীত গাইছে! ময়ো এনেদৰে গীত গাব পৰা হ'লে!
হেৰা ফৰিং ভনী, তোমালোকে কি খাই এনে সুমধুৰ গীত গাব পাৰিছা?
ককাইদেউ, আমি সদায় কচুপাত খাওঁ। সেইবাবেই আমাৰ মাতটো মিঠা।
তেন্তে ময়ো কচুপাতকে খাওঁ। তেতিয়া ময়ো মিঠা মাতেৰে গীত গাব পাৰিম।
কচুপাত খোৱাৰ ফলত গাধৰ ডিঙিত ঘা লাগিল।
আস্ঃ খজুৱতিত মই তত্ পোৱা নাই।




নীতিকথাঃ "নিজৰ স্বভাৱ পাহৰি আনৰ দৰে হ'বলৈ কৰা চেষ্টাই বিপদ মাতি আনে।"

## ভাবোঁ আৰু কওঁ আহা -

১.গাধটোৱে মাতটো শুৱলা কৰিবলৈ কচুপাত খোৱা কথাটোৰ লগত তুমি সহমত হয়নে নহয়? আৰু কিয়?

২.মাতটো শুৱলা কৰিবলৈ গাধটোৱে কি কৰা উচিত আছিল বুলি তুমি ভাবা?

# সিংহ, হৰিণা আৰু এটি কণমানি শহা

*প্ৰস্তুতকৰ্তা ঃ কংকনা বৰুৱা*










উসঃ বৰ ভাগৰ লাগিছে। ইমান
দূৰ দৌৰিও হৰিণাটোক ধৰিব
নোৱাৰিলোঁ। ঘূৰি গৈ শহাটোকে
খোৱা উচিত হ'ব।
শহাটো দেখোন ইয়াত নাই! ক'লৈ গ'ল?
হৰিণাটোকো ধৰিব নোৱাৰিলোঁ আৰু শহাটোকে
হাততে পাইও হেৰুৱালোঁ। যি পাইছিলোঁ তাতে
সন্তুষ্ট থকাই ভাল আছিল।
অৱশেষত সিংহই লোভ কৰি একো নাপালে আৰু সেইদিনা সিংহটো ভোকতে
থাকিবলগীয়া হ'ল।
নীতিকথা : "অধিক লোভৰ পৰিণাম সদায়
দুখদায়ক।"

## ভাবোঁ, কওঁ আৰু অংকন কৰোঁ আঁহা -

১.সাধুটোৰ জৰিয়তে তুমি কি কথা জানিলা সমনীয়াৰ আগত কোৱা।

২.তোমাৰ প্ৰিয় যিকোনো এটা জন্তুৰ ছবি আঁকা।

# পৰুৱা আৰু কপৌ

*প্ৰস্তুতকৰ্তা ঃ নীহাৰিকা কোঁৱৰ, মাইনা লাচন*

এখন নদীৰ পাৰত এটা পৰুৱাই বাস কৰিছিল। তাৰ গাঁতটোৰ কাষতে থকা এজোপা গছত এটা কপৌ চৰায়েও বাস কৰিছিল।



এদিন দুপৰীয়া পৰুৱাটো গাঁতৰ পৰা ওলাই আহিল।




বৰকৈ পিয়াহ লাগিছে। পিয়াহত অণ্ঠ-কণ্ঠ শুকাই গৈছে। অলপ পানী খাই লওঁ।


হঠাৎ পৰুৱাটো পানীত পৰি যায়।
বচোৱা... বচোৱা...

এই ঘটনাটো গছৰ ডালত বহি থকা কপৌ চৰাইটোৱে দেখি আছিল। কপৌটোৱে এখিলা পাত পানীত পেলাই দিলে। পাতখিলাত উঠি পৰুৱাটো পাৰলৈ আহিল।



অন্য এদিনৰ কথা। এজন চিকাৰীয়ে কপৌটোলৈ লক্ষ্য কৰি ধনুত কাঁড় জুৰা পৰুৱাটোৱে দেখিলে।




পৰুৱাটোৱে তৎক্ষণাত চিকাৰীৰ কাষ পালেগৈ আৰু ভৰিত কামোৰ মাৰি দিলে।
পৰুৱাৰ কামোৰ খাই চিকাৰীৰ কাঁড়ডাল কপৌটোৰ গাত নালাগি কেনিবাহে গ'ল।


এনেদৰে পৰুৱাই কপৌটোৰ প্ৰাণ ৰক্ষা কৰিলে।
বন্ধু, আজি তোমাৰ বাবেহে মোৰ প্ৰাণ ৰক্ষা পৰিল।
এদিন তুমিও মোৰ প্ৰাণ ৰক্ষা কৰিছিলা।




## ভাবোঁ আৰু কওঁ আহা -

১.সাধুটোত থকা ছবিবোৰৰ ভিতৰত কোনখন ছবি তোমাৰ আটাইতকৈ বেছি ভাল লাগিল?

২.সেই ছবিখনত সাধুটোৰ কোনখিনি কথা প্ৰকাশ পাইছে?

# শিয়াল আৰু বগলী

*প্ৰস্তুতকৰ্তা ঃ মৌচুমী বড়া, প্ৰিয়ংকা দিহিঙ্গীয়া*

এখন হাবিত এটা শিয়াল আৰু এজনী বগলীয়ে বাস কৰিছিল। দুয়োৰে সম্বন্ধ ককাই-ভনীৰ দৰেই আছিল যদিও শিয়ালটো দুষ্ট প্ৰকৃতিৰ আছিল।




বগলী ভনী, বহুদিন হ'ল আমাৰ ঘৰলৈ নহা। ভাত এসাঁজ খোৱাকৈ এদিন আহিবা চোন!
নিশ্চয়, ককাইদেউ।
এদিনাখন বগলীয়ে শিয়ালৰ নিমন্ত্ৰণ ৰক্ষা কৰি শিয়ালৰ ঘৰলৈ ৰাওনা হ'ল।
শিয়ালে মনত কু-বুদ্ধি খেলাই উলাহেৰে বগলীক খাবলৈ দিলে।
খোৱা ভনী, খোৱা!
তুমি মোৰ ৰন্ধা-বঢ়া একেবাৰে ভাল নাপালা নহয়নে? ইচ্ ইচ্ তুমি অলপো খাব নোৱাৰিলা। বৰ বেয়া লাগিছে পাই।
মই ঘৰতে খায়ে আহিছিলোঁ। তুমিও এদিন আমাৰ ঘৰলৈ যাবা ককাইদেউ।
খাব নোৱাৰি বগলীয়ে মিছাকৈ উত্তৰ দিলে।


দুখমনেৰে বগলীয়ে বাহলৈ বুলি উৰা মাৰিলে।
শিয়াল ককাইদেৰে খাবলৈ মাতি অপমানহে কৰিলে মোক।
বগলীৰ নিমন্ত্ৰণ ৰক্ষা কৰি শিয়াল এদিনাখন বগলীৰ ঘৰলৈ ৰাওনা হ'ল।
আহিলা ককাইদেউ, তোমালৈও মই তোমাৰ পচন্দৰ আহাৰ ৰান্ধিছোঁ!
নিশ্চয় খাম ভনী।
যথাসময়ত বগলীয়ে ৰন্ধা আহাৰ খাবলৈ আনিলে।
উস্ঃ মই মুখ সুমুৱাব পৰা নাই। তুমি কি পাত্ৰত মোক খাবলৈ দিলা!
খোৱা ককাইদেউ, মই কিন্তু খালোঁৱে। তুমিও খোৱা।







## ভাবোঁ আৰু কওঁ আহা -

১.শিয়াল আৰু বগলীজনীক যদি একোটাকৈ নাম দিব লগা হয়, তুমি কি নাম দিবা?

২.তোমাৰ ঘৰলৈ তোমাৰ বন্ধু ফুৰিবলৈ আহিলে তুমি কি কি কৰা?

# বুধিয়ক বীৰবল

*প্ৰস্তুতকৰ্তা ঃ পাৰ্থপ্ৰতীম বৰুৱা, সংগীতা বৰুৱা*







মোক সঠিক উত্তৰটো লাগে। কোনে ক'ব পাৰিব?
জাহাপনা, সমগ্ৰ আগ্ৰাত বৰ্তমান দহ হাজাৰ এশ এঘাৰটা কাউৰী আছে।


কেইদিনমানৰ পাছৰ কথা।
বীৰবল, তুমি সেইদিনা সঁচাকৈয়ে কাউৰীৰ সংখ্যাটো সঠিককৈ কৈছিলা নে মিছাকৈয়ে কৈছিলা? মই সৈন্য পঠিয়াই প্ৰকৃত সংখ্যাটো উলিয়াম কিন্তু।
জাহাপনা, মই সেইদিনা আগ্ৰাত থকা কাউৰীৰ হিচাপটোহে আপোনাক কৈছিলোঁ।







## ভাবোঁ আৰু কওঁ আহা -

১.'আকবৰ আৰু বীৰবলে ফুলনি বাগিচাত বহি কথা পাতি আছিল।' তোমাৰ বিদ্যালয়ৰ ফুলনি বাগিচাত থকা ফুলবোৰৰ নাম কোৱা।

২.'আকবৰ আৰু বীৰবল' সাধুটো নাট্যৰূপ দি শ্ৰেণীকোঠাত অভিনয় কৰা।

(প্ৰয়োজন সাপেক্ষে শিক্ষক প্ৰশিক্ষাৰ্থীয়ে শিক্ষাৰ্থীক সহায় কৰিব।)

# শহাৰ সপোন

প্ৰস্তুতকৰ্তা ঃ অংকুমণি গগৈ, পৰিণিতা পেগু







তেনেতে, গছজোপাৰ পৰা এটা শুকান নাৰিকল শহাটোৰ ওচৰতে ডাঙৰ শব্দ কৰি সৰি পৰিল।
এয়া কিহৰ শব্দ? মোৰ সপোনটো সঁচা হ'ল। আকাশখন নিশ্চয় খহি পৰিল আৰু এতিয়া পৃথিৱীখন ভাগি শেষ হৈ যাব।


শহাটোৱে ভয়তে দৌৰিবলৈ ধৰিলে।
আকাশখন খহি পৰিল। পৃথিৱীখন এতিয়া শেষ হৈ যাব। কোন ক'ত আছা পলোৱা, পলোৱা...


শহাৰ কথা শুনি হৰিণাবোৰেও ভয়তে শহাৰ পিছে পিছে দৌৰিবলৈ ধৰিলে।
ৰ'বা, ৰ'বা, আমিও তোমাৰ সৈতে যাওঁ। আমাকো লগতে লৈ ব'লা।


এনেদৰে শহাপহু আৰু হৰিণাক দেখি অৰণ্যৰ শিয়াল, গাহৰি, ভালুক, হাতী ইত্যাদি আন জন্তুবোৰো ভয়তে দৌৰিবলৈ ধৰিলে।


অৰণ্যৰ সকলো জন্তু দৌৰাত পৰিৱেশটো ভয়াৱহ হৈ পৰিল। চিঞৰ-বাখৰ, খোজৰ শব্দ গুহাত শুই থকা সিংহৰ কাণত পৰিলগৈ।


কিহৰ শব্দ? কোনে ইমান চিঞৰ-বাখৰ কৰিছে? মোৰ কেঁচা টোপনি ভাঙিবলৈ কাৰ ইমান সাহস হ'ল?


মহাৰাজ, মহাৰাজ, আমাক ৰক্ষা কৰক ৰক্ষা কৰক।
কি হ'ল তহঁতৰ? কিয় দৌৰিছ? কিহৰ বাবে তহঁতৰ এই চিঞৰ- বাখৰ?
মহাৰাজ, আমাক সহায় কৰক!


মহাৰাজ, আকাশখন খহি পৰিল। এতিয়া পৃথিৱীখন শেষ হৈ যাব।
কি কথা কৈছ? কোনে তহঁতক এনে কথা ক'লে


মহাৰাজ, শহাই কৈছে পৃথিৱীখন হেনো শেষ হৈ যাব ধৰিছে।
শহা, তই পৃথিৱীখন ভঙা ক'ত দেখিলি?


মহাৰাজ, মই নাৰিকল গছ এজোপাৰ ছাঁতে শুই আছিলোঁ। তেতিয়া সপোনত দেখিছিলোঁ যে পৃথিৱীখন ভাগি গ'ল। তেনেতে মই ডাঙৰ এটা শব্দ শুনিলোঁ। মোৰ সপোন সঁচা হ'ল, পৃথিৱীখন ভাগি পৰিল।


সিংহই সত্যটো জানিবলৈ সকলোকে লগত লৈ নাৰিকল গছৰ তল পালেগৈ। তাত এটা ডাঙৰ নৰিকল পৰি থকা দেখা গ'ল।
এইখনেই তহঁতৰ পৃথিৱী। এটা নাৰিকল পৰাৰ তই পৃথিৱীখন ভঙা বুলি ভাবিলি।


মনত ৰাখিবি, কোনো কথা ভালদৰে নজনাকৈ কেতিয়াও বিশ্বাস কৰিব নালাগে।
ক্ষমা কৰিব মহাৰাজ, মোৰ বৰ ডাঙৰ ভুল হ'ল। আজিৰ পৰা মই সকলো কথা ভাল দৰে জানি-বুজি লৈহে কাম কৰিম।
নীতিকথাঃ "উৰা বাতৰিক সহজে বিশ্বাস কৰিব নালাগে।"

## ভাবোঁ, কওঁ আৰু অংকন কৰোঁ আঁহা -

১.সাধুটোৰ কোনটো চৰিত্ৰ তোমাৰ আটাইতকৈ বেছি ভাল লাগিল? আৰু কিয়?

২.তোমাৰ ভাল লগা চৰিত্ৰটোৰ এখন ছবি অংকন কৰা।

# বীৰবলৰ বুদ্ধি পৰীক্ষা

*প্ৰস্তুতকৰ্তা ঃ দীপশিখা ফুকন*

এদিন এজন ঘোঁৰা বেপাৰীয়ে কেইটামান ঘোঁৰা বিক্ৰীৰ বাবে সম্ৰাট আকবৰৰ ওচৰলৈ লৈ গৈছিল।




আকবৰক দেখা পাই বেপাৰীজনে নম্রভাৱে ক'লে -
জাহাপনা,বিক্ৰীৰ বাবে নানা জাতৰ ঘোঁৰা আনিছোঁ। ইহঁত যুদ্ধৰ বাবেও বৰ পাকৈত।
কিন্তু মোক একেজাতৰ মাইকী ঘোঁৰা এজনীও লাগিব।
ক্ষমা কৰিব জাহাপনা, এতিয়া মোৰ লগত মাইকী ঘোঁৰা নাই। যদিহে আগতীয়াকৈ মূল্য দিয়ে মই আনি দিব পাৰিম।
হ'ব বাৰু, তুমি ঘোঁৰাজনীৰ মূল্য লৈ যোৱা আৰু সোনকালে মোক দি যাবাহি।
আপুনি চিন্তা নকৰিব জাহাপনা। মই অতি সোনকালে আনি দিম।
অচিনাকি বেপৰীজনক আকবৰে ঘোঁৰাজনীৰ বাবদ আগধন প্ৰদান কৰে।


বহুদিন পাৰ হৈ গ'ল কিন্তু ঘোঁৰা বেপাৰীজন উভতি নাহিল। বীৰবলকে মাতোচোন।
জাহাপনা আপুনি মোক মাতিছিল।
দেশত যিমান মূৰ্খ মানুহ আছে তাৰ এখন তালিকা প্ৰস্তুত কৰা।
পাছদিনা
লওক জাহাপনা, এইখন মূৰ্খৰ তালিকা প্ৰস্তুত হৈ গ'ল।
বীৰবল, এয়া তুমি কি কৰিলা? মূৰ্খৰ তালিকাত মোৰ নামটো কিয় প্ৰথম দিছা!
জাহাপনা, দেশৰ ভিতৰত আপুনিয়ে প্ৰথম স্থানৰ মূৰ্খ বুলি মোৰ বিশ্বাস হৈছে।


তুমি ভাৰতৰ সম্ৰাট আকবৰক মূৰ্খ সজালা! এই কথাৰ যুক্তি দিব পাৰিবা?
জাহাপনা, ভাৰতবৰ্ষত এনে এজন মূৰ্খ মানুহ আছেনে; যিয়ে অপৰিচিত ব্যক্তিৰ কথাত ভোল গৈ আগতীয়াকৈ ঘোঁৰাৰ মূল্য দিব পাৰে।
যদি সেই বেপাৰীজন ঘোঁৰা লৈ উভতি আহে?
জাহাপনা, যদি সেই বেপাৰীজন উভতি আহে তেতিয়া আপোনাৰ নামটো কাটি সেই ঠাইত তাৰ নামটো লিখিম।
বীৰবল মই নিজৰ ভুলটো বুজিব পাৰিছোঁ যে অপৰিচিত ব্যক্তিক সহজতে বিশ্বাসত ল'ব নালাগে। সেয়েহে তোমাক মূৰ্খৰ তালিকা প্ৰস্তুত কৰিবলৈ দিছিলোঁ।
নীতিকথা :"অচিনাকীৰ মুখৰ কথাত ভোল গ'লে, নিজৰ সৰলতাৰ বাবে অনুতাপ কৰিবলগীয়া হয়।"

## ভাবোঁ, লিখোঁ আৰু কওঁ আহা -

১. সাধুটো পঢ়ি তোমাৰ কেনে লাগিল ?

২. তুমি জনা আকবৰ আৰু বীৰবলৰ সাধুৰ এটি সংলাপ লিখা সমনীয়াৰ আগত কৈ শুনোৱা।

DISTRICT INSTITUTE OF EDUCATION & TRAINING, CHARAIDEO

ESTD 1996

MRP : 700/-